**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :20**-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::::::::::::::::::::::::

১। পশ্চিম এছিয়াৰ বিভিন্ন শক্তি আন্তঃগাঁথনিৰ ওপৰত শেহতীয়াকৈ সংঘটিত আক্ৰমণক ভাৰতে চিন্তাৰ কাৰণ বুলি অভিহিত কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কাটাৰৰ আমীৰ শ্বেইখ টামিম বিন হামাড আল থানিৰ সৈতে বাৰ্তালাপ কৰে।

৩। ভাৰতৰ পৰ্যটন উন্নয়ন নিগমৰ সহযোগত জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ে নতুন দিল্লীত কালি জনজাতীয় হোমষ্টেৰ গৰাকীসকলৰ এখন কৰ্মশালা অনুষ্ঠিত কৰে।

৪। প্ৰতিৰক্ষা কৰ্মচাৰীসকলৰ সংহত মুখ্য কাৰ্যালয় আৰু ইছৰোই বৰ্তমানৰ উপগ্ৰহ ভিত্তিক দূৰ সংযোগ ন'ডসমূহৰ ৰক্ষণাৰেক্ষণৰ লগতে সশস্ত্ৰ বাহিনীৰ অতিৰিক্ত ন'ডৰ ব্যৱস্থাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

*আৰু*

৫। ভাৰতে ২০২৮ চনত প্ৰথমবাৰৰ বাবে ওড়িশাত বিশ্ব ইন্দোৰ এথলেটিকছ্ চেম্পিয়নশ্বিপছ্ আয়োজনৰ স্বত্ব লাভ কৰিছে।

০০০০

সমগ্ৰ পাৰস্য উপসাগৰীয় অঞ্চলৰ শক্তি আন্তঃগাঁথনিসমূহৰ ওপৰত শেহতীয়াকৈ সংঘটিত আক্ৰমণক ভাৰতে চিন্তাৰ কাৰণ বুলি অভিহিত কৰিছে আৰু এই আক্ৰমণসমূহক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে এনে আক্ৰমণ গ্ৰহণ যোগ্য নহয় আৰু এই আক্ৰমণ বন্ধ কৰাৰ প্ৰয়োজন আছে। শক্তি যোগান এতিয়াও চিন্তাৰ বিষয় হৈয়ে আছে আৰু জাহাজ পথত ইয়াৰ প্ৰভাৱ পৰিছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয়, যে এল পি জিৰ যোগান নিৰীক্ষণ কৰা হৈছে আৰু চৰকাৰে সংক্ৰিয়ভাৱে কাম কৰাৰ লগতে গ্ৰাহকক অগ্ৰাধিকাৰ দিছে। পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিশ্বৰ নেতাসকলে যোগাযোগ অব্যাহত ৰাখিছে আৰু ভাৰতে এই ক্ষেত্ৰত নিজৰ স্থিতি স্পষ্ট কৰিছে বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে বাংলাদেশ, শ্ৰীলংকা, মালদীপকে আদি কৰি চুবুৰীয়া দেশসমূহে শক্তি সাহায্য বিচাৰিছে। আফগানিস্তানত পাকিস্তানৰ বিমান আক্ৰমণ সন্দৰ্ভত শ্ৰী জয়ছোৱালে কয়, যে ভাৰতে এনে বৰ্বৰ আক্ৰমণক গৰিহণা দিছে। পাকিস্তানে গোপন পাৰমাণৱিক অভিযানৰ জড়িয়তে বিশ্বৰ বাবে ভাবুকি কঢ়িয়াই আনিছে বুলি তেওঁ মন্তব্য কৰে। ইৰাণত আবদ্ধ হৈ থকা শিক্ষাৰ্থীসকলৰ বিষয়ে উল্লেখ কৰি মুখপাত্ৰগাৰকীয়ে কয়, যে তেওঁলোকক সহায় কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি থকা হৈছে। ইৰাণৰ পৰা আহিব বিচৰা ভাৰতীয় নাগৰিকে প্ৰথমে ইৰাণত থকা ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ কৰিব লাগিব বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ কয়, যে অতি কম দিনৰ ভিতৰত তেওঁলোকক দেশলৈ উভতাই আনিব পৰা যাব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কাটাৰৰ আমীৰ শ্বেইখ টামিম বিন হামাড আল থানিৰ সৈতে টেলিফোনৰ জৰিয়তে কথা পাতে আৰু কাটাৰৰ জনসাধাৰণলৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত কাটাৰৰ সৈতে সংহতিপূৰ্ণভাৱে ঠিয় হৈ আছে আৰু ভাৰতে দেশখনৰ শক্তি আন্তঃগাঁথনিৰ ওপৰত হোৱা আক্ৰমণক তীব্ৰ গৰিহণা দিছে। দেশখনত থকা ভাৰতীয় লোকসকলৰ প্ৰতি আগবঢ়োৱা যত্ন আৰু সহায়ৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি শ্ৰী মোদীয়ে দেশখনত শান্তি আৰু সুস্থিৰতা বিৰাজ কৰিব বুলি আশা প্ৰকাশ কৰে। উভয় দেশ হৰমুজ প্ৰণালীৰ মাজেৰে নিৰাপদ আৰু মুক্ত পৰিবহনৰ পক্ষত আছে বুলিও সামাজিক মাধ্যমৰ জৰিয়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ভাৰতৰ পৰ্যটন উন্নয়ন নিগমৰ সহযোগত জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে নতুন দিল্লীত কালি জনজাতীয় হোমষ্টেৰ গৰাকীসকলৰ এখন কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাত গুজৰাট, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ জনজাতীয় হোমষ্টেৰ গৰাকী আৰু তেওঁলোকৰ দলসমূহে অংশগ্ৰহণ কৰে। জনজাতীয় লোকৰ জীৱিকা বৃদ্ধিৰ মূল চালিকা শক্তি হিচাপে সম্প্ৰদায়সমূহৰ নেতৃত্বত বহনক্ষম পৰ্যটনক প্ৰসাৰিত কৰাৰ বিষয়ে প্ৰশিক্ষণ দিয়া হয়। প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযান, অনুসূচীত জনজাতিসকলৰ বাবে উন্নয়নমূলক কাৰ্য পৰিকল্পনা আৰু আদি কৰ্মযোগী অভিযানৰ বিষয়েও  কৰ্মশালাত গুৰুত্ব দিয়া হয়। এই আঁচনিসমূহে পৰ্যটনৰ জৰিয়তে জনজাতীয় লোকসকলৰ জীৱিকা সম্প্ৰসাৰণ কৰাৰ লগতে জনজাতীয় হোমেষ্টে সমূহৰ উন্নয়নতো গুৰুত্ব আৰোপ কৰে। কৰ্মশালাত পৰ্যটন  প্ৰসাৰ জনজাতীয় অঞ্চলত স্থানীয় জীৱিকা শক্তিশালী কৰা, অৰ্থনৈতিক সৰলীকৰণৰ জৰিয়তে সাংস্কৃতিক সংৰক্ষণক উৎসাহিত কৰা আৰু কল্যাণমূলক আঁচনি ৰূপায়ণ সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ ন্যাসৰক্ষী সকলক সাক্ষাৎ কৰে আৰু দেশৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতিক অধিক জনপ্ৰিয় কৰি তোলাৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভত মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে সাক্ষাৎ কালত তেওঁলোকে সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সৈতে জড়িত এই যাত্ৰাত আৰু অধিক লোকক সামৰি লোৱাৰ বিষয়েও কথা পাতে। ডিজিটেল আৰু তৃণমূল পৰ্যায়ৰ পদক্ষেপৰ জৰিয়তে সংস্কৃতিৰ প্ৰসাৰ ত্বৰান্বিত কৰাৰ লগতে দেশৰ চহকী ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত শিল্পী তথা বিশেষজ্ঞসকলক সহায়ৰ হাত আগবঢ়োৱাৰ বিষয়েও সাক্ষাৎকালত আলোচনা কৰা হয় বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

প্ৰতিৰক্ষা কৰ্মচাৰীসকলৰ সংহত মুখ্য কাৰ্যালয় আৰু  ইছৰোৰ মহাকাশ প্ৰয়োগ কেন্দ্ৰই বৰ্তমানৰ উপগ্ৰহ ভিত্তিক দূৰ সংযোগ ন'ডসমূহৰ ৰক্ষণাবেক্ষণৰ লগতে সশস্ত্ৰ বাহিনীৰ অতিৰিক্ত ন'ডৰ ব্যৱস্থাৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।  প্ৰতিৰক্ষা কৰ্মচাৰীৰ সংহত মুখ্য কাৰ্যালয়ৰ উপ-মুৰব্বী এয়াৰমাৰ্চেল শংকৰ সুব্ৰমণিয়ম আৰু ইছৰোৰ সঞ্চালক নীলেছ এম দেশাইয়ে এই চুক্তিত স্বাক্ষৰ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, যে দুয়োপক্ষই দূৰ সংযোগৰ আন্তঃগাঁথনি পৰ্যালোচনা কৰাৰ লগতে পৰৱৰ্তী প্ৰজন্মৰ বাবে বিভিন্ন দিশ আলোচনা কৰে।

০০০০

ইজৰাইলৰ উত্তৰ অঞ্চলৰ হাইফা চহৰৰ এটা তেল শোধনাগাৰত ইৰাণে ক্ষেপণাস্ত্ৰৰ জৰিয়তে আক্ৰমণ কৰিছে যদিও এই আক্ৰমণৰ ফলত কোনো বিশেষ ক্ষতিৰ খবৰ অহা নাই বুলি ইজৰাইলে প্ৰকাশ কৰিছে। ইজৰাইলৰ শক্তি মন্ত্ৰী এলি কোহেনে এটা বিবৃতিত কয় যে তেল শোধনাগাৰত আক্ৰমণৰ ফলত কিছু সময়ৰ বাবে বিদ্যুৎ যোগান ব্যাহত হৈছিল যদিও বেছিভাগ গ্ৰাহকৰ বাবে এই যোগান পুনৰ আৰম্ভ কৰা হয়। আৰক্ষীয়ে জনোৱা অনুসৰি ক্ষেপণাস্ত্ৰ আহি পৰা চহৰখনৰ বিভিন্ন স্থানত পূৰ্বৰে পৰা বোমা বিশেষজ্ঞ নিয়োগ কৰি ৰখা হৈছিল।

বিগত মাহৰ শেষৰ ফালে ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই দেশখনৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰাৰ পাছৰে পৰা ইৰাণে সমগ্ৰ পশ্চিম এছিয়াত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ কৰি আহিছে। যোৱা বুধবাৰে তেহৰানে ইয়াৰ দক্ষিণ পাৰ্ছৰ গেছফিল্ডত ইজৰাইলে চলোৱা আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে পাৰস্য উপসাগৰীয় অঞ্চলৰ তেল আৰু গেছৰ শোধনাগাৰ আৰু কেন্দ্ৰক প্ৰতি-আক্ৰমণৰ লক্ষ্য কৰি লৈছিল।

০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে যে ইজৰাইল আৰু আমেৰিকাই ইৰাণৰ বিৰুদ্ধে সামৰিক অভিযানৰ জৰিয়তে সমগ্ৰ বিশ্বক সুৰক্ষা প্ৰদান কৰি আছে। জেৰুজালেমত এখন সংবাদমেল সম্বোধন কৰি শ্ৰীনেতান্যাহুৱে কয় যে ইজৰাইলৰ আক্ৰমণে ইৰাণৰ সামৰিক ক্ষমতা হ্ৰাস কৰিছে। তেহৰানে ভৱিষ্যতে ইউৰেনিয়াম আহৰণ কৰিব নোৱাৰে আৰু বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিৰ্মাণ কৰিব নোৱাৰে বুলি তেওঁ দাবী কৰে। ইৰাণে বিশ্বৰ এটা গুৰুত্বপূৰ্ণ তৈল পথত ব্যাঘাত জন্মাই বিশ্বক ব্লেকমেইল কৰাৰ চেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰি ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে এনে প্ৰচেষ্টাই কাম নকৰে বুলি মত পোষণ কৰে। ইৰাণৰ দক্ষিণ পাৰ্ছ গেছ ক্ষেত্ৰ স্থানক লক্ষ্য কৰি চলোৱা অভিযান কেৱল ইজৰাইলে সম্পন্ন কৰিছে আৰু এই আক্ৰমণত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কোনো হাত নাই বুলি শ্ৰীনেতান্যাহুৱে স্পষ্ট কৰি দিয়ে। ইজৰাইল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰাণৰ বিৰুদ্ধে অতি দৃঢ়তা আৰু অভূতপূৰ্ব শক্তিৰে কাম কৰি আছে বুলি সংবাদমেলত প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

কংগ্ৰেছ দলে কেৰালামত হ'বলগীয়া সমাগত বিধানসভা নিৰ্বাচনৰ বাবে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। দলটোৱে জ্যেষ্ঠ নেতা ভি এছ শিৱ কুমাৰক আৰুভিক্কাৰা আৰু প্ৰাক্তন বিধায়ক কে এছ চবৰিনন্দনক নেমম সমষ্টিৰ পৰা প্ৰক্ষেপ কৰিছে। ঘোষণা অনুসৰি সন্দীপ ৱাৰিয়াৰে ত্ৰিকাৰীপুৰ, মহম্মদ ছিয়াছে কোচি, নাট্টাকম সুৰেশে

এটুমান'ৰ আৰু ৰাজ্যখনৰ যুৱ কংগ্ৰেছৰ সচিব অবিন ৰাৰ্কেই আৰানমূলা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনী ৰণত অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে দলটোৱে বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৫৫ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। ৰাজ্যখনত অহা ৯ এপ্ৰিলত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ মে'ত এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০

ভাৰতে ২০২৮ চনত প্ৰথমবাৰৰ বাবে ওড়িশাৰ ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়াম পৰিসৰত বিশ্ব ইনড'ৰ এথলেটিকছ চেম্পিয়নশ্বিপছৰ আয়োজন কৰিব। পোলেণ্ডৰ টৰুণত অনুষ্ঠিত বিশ্ব এথলেটিকছ পৰিষদৰ বৈঠকত আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে ভাৰতক এই সন্মানীয় অনুষ্ঠানৰ আয়োজনৰ অধিকাৰ প্ৰদান কৰে। ভাৰতীয় এথলেটিকছ ফেডাৰেচনৰ সভাপতি বাহাদুৰ সিং সাগুৱে কয় যে এই আয়োজনৰ নিশ্চয়তাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতীয় এথলেটিকছৰ ক্ৰমবৰ্ধমান শক্তিৰ ইংগিত দিছে।

ইপিনে পোলেণ্ডৰ টৰুণত আজিৰ পৰা চলিত বৰ্ষৰ বিশ্ব ইনড'ৰ এথলেটিকছ চেম্পিয়নশ্বিপছ আৰম্ভ হ'ব। এই চেম্পিয়নশ্বিপছত সাধাৰণতে পুৰুষ আৰু মহিলা উভয় শাখাত ১৩ টাকৈ, অৰ্থাৎ মুঠ ২৬ টা শিতানত খেলসমূহ অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনৰ এইবাৰৰ সংস্কৰণত প্ৰথমবাৰৰ বাবে ফ'ৰ বাই ফ'ৰ হাণ্ড্ৰেড মিটাৰ মিক্সড ৰিলে অনুষ্ঠিত হ'ব।

০০০০

ভাৰতৰ তনভি শৰ্মা, ঈশাৰাণী বৰুৱা আৰু মালৱীকা বানচোড়ে পেৰিচত চলি থকা অৰ্লিনছ্ মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰী-কোৱাৰ্টাৰ ফাইনেলত তলভিয়ে সতীৰ্থ খেলুৱৈ অনমোল খাৰ্বক ২১-১৪, ২১-১৭ গেমত পৰাস্ত কৰে। ইপিনে ঈষাৰাণীয়ে কানাডাৰ খেলুৱৈ ৰেন য়ু ঝাঙৰ বিৰুদ্ধে ২১-১১, ১৪-২১, ২১-১৭ গেমত বিজয় অৰ্জন কৰে। প্ৰী-কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত মালৱীকাই মালয়েছিয়াৰ ৰং লিং চিঙক ২৪-২২, ২১-১৩ গেমত পৰাস্ত কৰে।

ইপিনে পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ অৰ্জুন মাদাঠিল ৰামচন্দ্ৰন আৰু হৰিহৰণ অমচাকাৰুননৰ যুটীটোৱে আলেকজেণ্ডাৰ দান আৰু আডাম প্ৰিংগলৰ যুটীটোক ২৬-২৪, ২১-১৪ গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

অৱশ্যে পুৰুষৰ একক শাখাৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আয়ুষ ছেট্টী জাপানৰ য়ুডাই অকিম'ট'ৰ বিৰুদ্ধে ২১-৯, ১৮-২১, ৯-২১ গেমত পৰাজিত হয়।০

০০০০

ঃঃ সমাপ্ত ঃঃ